**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ বিশ্ব ভালেমান বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ সময়ত ভাৰতবৰ্ষ সুস্থিৰতা আৰু সংবেদনশীলতাৰ প্ৰতীক হৈ উঠিছে বুলি দাবী কৰিছে।

২। এটা শক্তিশালী আৰক্ষী বাহিনীয়েহে এখন শক্তিশালী ৰাষ্ট্ৰ গঢ়িব পাৰে আৰু এয়াই চৰকাৰৰো লক্ষ্য বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে।

৩। নৌ সেনা বাহিনীৰ কমাণ্ডাৰসকলৰ দ্বিবাৰ্ষিক সন্মিলন কাইলৈ নতুন দিল্লীত আৰম্ভ হ'ব।

৪। গোৱাৰ মুখ্যমন্ত্ৰী ড০ প্ৰমোদ চাৱন্তে আজি ফিদে বিশ্বকাপ ডবা প্ৰতিযোগিতা-২০২৫ৰ লগ' আৰু শীৰ্ষক গীত আনুষ্ঠানিকভাৱে মুকলি কৰে।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত খেলত দক্ষিণ আফ্ৰিকা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ বিশ্ব ভালেমান বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ সময়ত ভাৰতবৰ্ষ সুস্থিৰতা আৰু সংবেদনশীলতাৰ প্ৰতীক হৈ উঠিছে বুলি দাবী কৰিছে। দেৱালী উপলক্ষে দেশৰ জনসাধাৰণলৈ লিখা এখন পত্ৰত শ্ৰী মোদীয়ে কয়, যে ভাৰত অদূৰ ভৱিষ্যতে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হোৱাৰ দিশত অগ্ৰসৰ হৈছে। বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰতৰ এই যাত্ৰাত দেশৰ নাগৰিক হিচাপে ৰাষ্ট্ৰৰ প্ৰতি কৰ্তব্য পালন কৰাটো সকলো নাগৰিকৰে প্ৰাথমিক দায়িত্ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত ভাৰতে অকল ন্যায়ৰ পথ অনুসৰণ কৰাই নহয়, বৰং অন্যায়ৰো প্ৰতিশোধ লয়। তেওঁ কয়, যে ভগৱান শ্ৰীৰামে জনসাধাৰণক সঠিক পথ অনুসৰণ কৰিবলৈ শিকায় আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজ দিবলৈ সাহস দিয়ে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি ৰাজ্যসভা সচিবালয় পৰিদৰ্শন কৰে আৰু উচ্চ সদনৰ কাম-কাজ সুচাৰুৰূপে সম্পাদন কৰাৰ ক্ষেত্ৰত সচিবালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ ভূমিকাৰ শলাগ লয়। শ্ৰীৰাধাকৃষ্ণণে লগতে সামাজিক মাধ্যমযোগে সংসদীয় কাম-কাজ সুদৃঢ় কৰাৰ বাবে নিষ্ঠা আৰু পেছাদাৰী মনোভাৱেৰে কাম কৰি যাবলৈ বিষয়া-কৰ্মচাৰীসকলক উৎসাহ যোগায়। কৰ্মচাৰীসকলৰ সৈতে হোৱা কথা-বতৰাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁলোকক পোহৰৰ উৎসৱ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

এটা শক্তিশালী আৰক্ষী বাহিনীয়েহে এখন শক্তিশালী ৰাষ্ট্ৰ গঢ়িব পাৰে আৰু এয়াই চৰকাৰৰো লক্ষ্য বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে। আৰক্ষীৰ স্মৃতি দিৱস উপলক্ষে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকত ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সেনা বাহিনী আৰু আৰক্ষী বাহিনীৰ মঞ্চ ভিন ভিন  হ'ব পাৰে, কিন্তু তেওঁলোকৰ মিছন এটাই আৰু সেয়া হৈছে ৰাষ্ট্ৰীয় সুৰক্ষা। তেওঁ কয়, যে সেনা বাহিনীয়ে দেশক সুৰক্ষিত কৰে আৰু আৰক্ষীয়ে সমাজক সুৰক্ষিত কৰে। সেনা বাহিনীয়ে ভৌগোলিক অখণ্ডতা নিশ্চিত কৰাৰ বিপৰীতে আৰক্ষীয়ে দেশৰ সামাজিক সংহতি সুৰক্ষিত কৰে বুলি শ্ৰী সিঙে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান সময়ত আৰক্ষীয়ে সমাজত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ লগতে ধাৰণাৰ বিৰুদ্ধেও যুঁজ দিবলগীয়া হয়। তেওঁ সশস্ত্ৰ বাহিনী আৰু আৰক্ষী বাহিনীসমূহক ৰাষ্ট্ৰীয় সুৰক্ষাৰ স্তম্ভ বুলি অভিহিত কৰে।

শ্ৰী সিঙে কয়, যে সমাজত নতুন নতুন অপৰাধ, সন্ত্ৰাসবাদ আৰু আদৰ্শবাদৰ যুঁজৰ সূচনা হৈছে। তেওঁ কয়, যে অপৰাধ অধিক সংগঠিত, ধূসৰ আৰু জটিল হৈ উঠিছে আৰু দেশৰ সুস্থিৰতা আৰু আস্থা নাইকীয়া কৰি সমাজৰ অশান্তি সৃষ্টি কৰাই ইয়াৰ মূল উদ্দেশ্য। অপৰাধ ৰোধ কৰাৰ আনুষ্ঠানিক দায়িত্ব পালনৰ লগতে সমাজত আস্থা বৰ্তাই ৰখাৰ নৈতিক দায়িত্বও পালন কৰাৰ বাবে শ্ৰী সিঙে আৰক্ষী বাহিনীক ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে আৰক্ষী, চি আৰ পি এফ, বি এছ এফ আৰু স্থানীয় প্ৰশাসনৰ সন্মিলিত প্ৰচেষ্টাৰ বাবেই বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকাসমূহত সমস্যা অধিক গুৰুতৰ হ'ব পৰা নাই আৰু সেই অঞ্চলৰ জনসাধাৰণে স্বস্তিৰ সকাহ লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে অহা বছৰ মাৰ্চৰ ভিতৰত বাওঁপন্থী উগ্ৰবাদৰ সমস্যাৰ অৱসান ঘটিব বুলি আস্থা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এইবছৰ কেইবাগৰাকীও শীৰ্ষ নক্সালবাদী নেতাক নিধন কৰা হৈছে আৰু বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত জিলাৰ সংখ্যা চকুত লগা ধৰণে হ্ৰাস পাইছে। এসময়ত বাওঁপন্থী উগ্ৰবাদৰ বাবে বেয়াকৈ ক্ষতিগ্ৰস্ত এলেকাসমূহো সম্প্ৰতি বিকাশৰ কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি চোৰাংচোৱা ব্যুৰ'ৰ সঞ্চালক তপন ডেকাই কয়, যে যোৱা বছৰ কৰ্তব্য সম্পাদনৰ সময়ত ১৯১ গৰাকী আৰক্ষী কৰ্মীয়ে প্ৰাণ হেৰুৱাইছে। তেওঁ কয়, যে স্বাধীনতা লাভৰে পৰা কৰ্তব্য সম্পাদনৰ খাতিৰত মুঠ ৩৬ হাজাৰ ৬৮৪ গৰাকী আৰক্ষী কৰ্মীয়ে চৰম বলিদান দিছে।

লাডাখত হট স্প্ৰিংছত অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত চীনা বাহিনীয়ে চলোৱা অতৰ্কিত আক্ৰমণত প্ৰাণ হেৰুওৱা ১০ গৰাকী বীৰ আৰক্ষী কৰ্মীলৈ শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে প্ৰতিবছৰে ২১ অক্টোবৰৰ দিনটো আৰক্ষী স্মৃতি দিৱস হিচাপে পালন কৰা হয়।

ooooo

নৌ সেনা বাহিনীৰ কমাণ্ডাৰসকলৰ দ্বিবাৰ্ষিক সন্মিলন কাইলৈ নতুন দিল্লীত আৰম্ভ হ'ব। অপাৰেচন সিন্দূৰ আৰু নৌ সেনাবাহিনীৰ অভিযান তথা যুদ্ধ প্ৰতিৰোধ প্ৰস্তুতিৰ বাবে এই সন্মিলন অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে। এই সন্মিলনত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু কেবিনেট সচিবে নৌ সেনাবাহীনৰ কমাণ্ডাৰসকলক উদ্দেশি ভাষণ দিব আৰু বৃহত্তৰ ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগীৰ গুৰুত্বৰ বিষয়ে বিশ্লেষণ আগবঢ়াব। চীফ অৱ ডিফেন্স ষ্টাফ আৰু বায়ু সেনা বাহিনীৰ মুৰব্বীয়েও সন্মিলনত ভাষণ দিব।

০০০০০

ছানায়ে টাকাই'চি জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছে। টাকাইচিয়ে দেশখনৰ উচ্চ সদনত প্ৰয়োজনীয় ভোটতকৈ মাত্ৰ এটা ভোট বেছি অৰ্থাৎ ১২৫ টা ভোট লাভ কৰে। ইয়াৰ পূৰ্বে তেওঁ নিম্ন সদনত ২৩৭ টা ভোট লাভ কৰিছিল। নিম্ন সদনত তেওঁক ২৩৩ টা ভোটৰ আৱশ্যকতা আছিল। লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিৰ নেত্ৰী টাকাই'চিয়ে পুৰণি মিত্ৰদল কমেইট'ৰ পৰা পৃথক হোৱাৰ পাছত জাপান ইন'ভেচন পাৰ্টী- জে আই পিৰ সৈতে এখন নতুন চৰকাৰ গঠন কৰিব।

পূৰ্বৰ টেলিভিচনৰ এংকৰ টাকাইচিয়ে ১৯৯৩ চনত নিম্ন সদনত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হৈ জাপানৰ ৰাজনীতিত প্ৰৱেশ কৰে। ৬৪ বছৰীয়া টাকাইচিয়ে বৰ্তমান নাৰাক প্ৰতিনিধিত্ব কৰিছে। শ্ৰীমতী টাকাইচিয়ে ১৯৯৬ চনত জাপানৰ শাসনাধিষ্ঠিত লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিত যোগদান কৰে আৰু পূৰ্বৰ প্ৰধানমন্ত্ৰী শ্বিনজো আবে নেতৃত্বাধীন চৰকাৰৰ কেবিনেটত প্ৰথমবাৰৰ বাবে স্থান লাভ কৰে। তেওঁ ষ্টেট ফৰ অ'কিনাৱা আৰু নৰ্ডাৰ্ণ টেৰিটৰিষ্ট এফেয়াৰ্ছৰ মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰে। ২০২২ৰ পৰা ২০২৪ চনলৈকে তেওঁ জাপানৰ অৰ্থনৈতিক সুৰক্ষা মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰে। বিত্তীয় মন্দাৱস্থা, মূল্যবৃদ্ধি আদি বৃহৎ প্ৰত্যাহ্বানসমূহৰ মাজতে তেওঁ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৬ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কী বাতৰ ১২৭ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০-১১-৭৮০০ বিনামূলীয়া নম্বৰত ফোন কৰি এই খণ্ডটিৰ বাবে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ আৰু মাই গভ মুকলি মঞ্চৰ যোগেদিও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। ২৪ অক্টোবৰ পৰ্যন্ত আগব'ঢ়োৱা দিহা-পৰামৰ্শসমূহ আগবঢ়োৱা হ'ব।

০০০০০

গোৱাৰ মুখ্যমন্ত্ৰী ডঃ প্ৰমোদ চাৱন্তে ফিদে বিশ্বকাপ ডবা প্ৰতিযোগিতা-২০২৫ৰ লগ' আৰু শীৰ্ষক গীত আনুষ্ঠানিকভাৱে মুকলি কৰে। জনপ্ৰিয় গায়ক ডলেৰ মেহন্দীয়ে প্ৰতিযোগিতাৰ শীৰ্ষক গীতটোত কণ্ঠদান কৰিছে আৰু লগ'টোত গোৱাৰ সংস্কৃতিৰ প্ৰতিফলন ঘটোৱা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৌশলগত চিন্তা-ধাৰা আৰু নেতৃত্বৰ গুণসমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত বিকশাই তোলাৰ ক্ষেত্ৰত ডবাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ডবাৰ প্ৰচলনৰ বাবে আহ্বান জনাইছে। এই বিশ্বকাপ ডবা প্ৰতিযোগিতা ৩১ অক্টোবৰৰ পৰা ১৭ নবেম্বৰলৈকে গোৱাত অনুষ্ঠিত হ'ব। সুদীৰ্ঘ ২৩ বছৰৰ পাছত এই প্ৰতিযোগিতা ভাৰতত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত ৮২ খন দেশৰ ২০৬ গৰাকী ডবা খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাৰ বিজয়ীক ২ মিলিয়ন ডলাৰৰ আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হ'ব। বিশ্বৰ জনপ্ৰিয় ডবা খেলুৱৈ গুকেশ ডি, অৰ্জুন এৰিগেইছি, অনিছ গিৰী, ৰেছলে ছ', ভিনচেণ্ট কেইমাৰ, হেন্স নিমেন আৰু ফষ্টিনো অৰ'ৰে প্ৰতিযোগিতাত ভাগ ল'ব।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত খেলত দক্ষিণ আফ্ৰিকা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। বৰ্ষাবিঘ্নিত খেলখনত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট

ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ২২ অভাৰত তিনিটা উইকেট হেৰুৱাই ১৪৯ ৰাণ সংগ্ৰহ কৰি খেলি আছে। খেলখন বৰষুণৰ বাবে ৪০ অভাৰলৈ হ্ৰাস কৰা হৈছে।

০০০০০

মধ্য ৰে'লৱেই ১৯ ছেপ্তেম্বৰৰ পৰা ৩০ নবেম্বৰলৈকে দেশৰ বিভিন্ন ৰাজ্যৰ পৰা আৰক্ষণ আৰু আৰক্ষণ বিহীন এহেজাৰ ৯৯৮ খন দেৱালী বিশেষ ৰে'ল চলাচল কৰাইছে। ইয়াৰ ভিতৰত মুম্বাইৰ পৰা ছশৰো অধিক ৰে'ল বিভিন্ন ৰাজ্যলৈ চলাচল কৰোৱা হৈছে। মুম্বাই অঞ্চলৰ পৰা প্ৰতিদিনে প্ৰায় ১০০ খন নিয়মীয়া আৰু ৮-১০ খন বিশেষ ৰে'ল চলাচল কৰোৱা হৈছে। মুম্বাই সংমণ্ডলৰ পৰা আজি মুঠ ৭৭ খন ৰে'ল চলাচল কৰোৱা হৈছে আৰু পৰৱৰ্তী তিনিটা দিনত ২৪ খন ৰে'ল চলাচল কৰোৱা হ'ব।

ইতিমধ্যে, সমগ্ৰ দেশতে ৭০৫ টা ৰে'লৰ যাত্ৰা সম্পূৰ্ণ হৈছে আৰু ইয়াৰ ফলত ১০ লাখ ৬৮ হাজাৰ যাত্ৰী গন্তব্য স্থানত উপনীত হৈছে। এই উৎসৱৰ বতৰত বিশেষকৈ বিহাৰ, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ, মধ্য প্ৰদেশ আদিকে ধৰি আন ৰাজ্যৰ ৩০ লাখৰো অধিক যাত্ৰীক এই ৰে'ল যাত্ৰাৰ সুবিধা প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

০০০০০

সমাপ্ত